AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## স্বৰ্গত খিড়িকী

আদিপুস্তক ২৭:১-২৮

## কাহিনী...



**যাকোবে** এনেকুৱা ধৰনৰ ইমান নিঠৰুৱা আৰু অকলশৰীয়া কেতিয়াও অনুভৱ কৰা নাছিল—আৰু এইবোৰ এই কাৰনেই হৈছিল, কিয়নো সি ভুলপথ বাচি লৈছিল আৰু অতি লোভীয়া হৈ পৰিছিল। প্ৰথমতে যাকোবে তেওঁৰ যমজ জেষ্ঠভাতৃক তাৰ জন্মাধীকাৰ বিক্ৰী কৰিবলৈ ঘোঁচ দিছিল। তাৰ পাছত তেওঁৰ মাতৃৰ সহ-যোগত, তেওঁ তেওঁৰ অন্ধ পিতৃ ইচহাকক, তেওঁৰ সেই পৈতৃক আৰ্শীবাদ তেওঁক দিবলৈ ছলনা কৰিছিল যিটো নিয়ম মতে এচৌৰহে আছিল।

এতিয়া যাকোবে নিজৰ বিতুষ্ট হোৱা ককায়েকৰ মৃত্যুৰ ভাবুকীৰ পৰা ৰক্ষা পাবলৈ, ঘৰৰ পৰা পলাই যাবলগীয়া হৈছিল। যেতিয়া তেওঁ ভাবিছিল তাৰ আটাইবিলাক খামোচমাৰি ধৰা আচনিবোৰে কেনেকৈ তেওঁকেই জ্বলি পুৰি খাইছিল, তেওঁ নিজৰ মূৰটো হালি বৰকৈ কান্দিছিল। অৰন্যৰ মাজত অকলশৰীয়াকৈ, গাৰু বুলিবলৈ মাত্ৰ এটা শিল আৰু নিজৰ সুৰক্ষাৰ নিমিত্তে এডাল লাঠি লৈ, যাকোব জিৰনি লবলৈ চেষ্টা কৰিছিল। তেওঁ তেওঁৰ পিতৃমাতৃক পুনৰ দেখিব নে নেদেখিব-ঈশ্বৰে তেওঁক ক্ষমা কৰিব নে নকৰিব সেইবোৰ ভাবি সি চিন্তিত হৈছিল। ভাগৰত, যাকোব টোপনিত লাল-কাল গৈছিল। অতি সোনকালে সি এটা সজীৱ উজ্বল সপোন দেখিছিল। মুকলি স্বৰ্গৰ পৰা বৈ অহা অগ্নিৰ শিখাৰ দৰে এটা উজ্বল পোহৰ তেওঁ দেখিছিল যত আছিল সেই গৌৰৱময় স্হানৰ পৰা তলৰ পৃথিবীখনত সংলগ্ন কৰা এডাল অতি সুন্দৰ জখলা। সেই জখলা ডালত অসংখ্য স্বৰ্গদূতবিলাকে উঠা-নমা কৰি আছিল।

তাৰ পাছত যাকোবে স্বৰ্গৰ পৰা কোৱা ঈশ্বৰৰ মাত আৰু তেওঁৰ যাত্ৰাত তেওঁক আৰ্শীবাদ কৰিম বুলি কোৱা প্ৰতিজ্ঞা শুনিছিল। ঈশ্বৰ যিহোৱাই যাকোবৰ সৈতে সেই একেটা নিয়মকে পুনৰ স্হিৰ কৰিছিল যাক তেওঁ আব্ৰাহাম আৰু ইচহাকৰ সৈতে কৰিছিল। যেতিয়া তেওঁ সাৰ পাইছিল, যাকোবে আঠুঁ কাঢ়িছিল আৰু তাৰ লোভ কৰা পথ পৰিহাৰ কৰিম বুলি শপত লৈছিল। তেওঁ এইবুলিও প্ৰতিজ্ঞা কৰিছিল, "তুমি মোক যি যি দিবা, মই তাৰ দহ ভাগৰ এভাগ নিশ্চয় তোমাক দিম" আদিপুস্তক ২৮:২২।

ঈশ্বৰে এই শপত গ্ৰহন কৰিছিল আৰু স্বৰ্গৰ খিড়িকী খুলি দিছিল আৰু সেই কাৰনে ২০ বছৰৰ পিছত যেতিয়া যাকোব ঘৰলৈ উভতি আহিছিল, তেওঁ এজন অতিশয় ধনী আৰু উদাৰ দয়ালু মানুহ হৈ আহিছিল।



পাঠ নং-১৫

# অধ্যয়ন

*তলত দিয়া প্ৰতিটো বাইবেলপদ পঢ়াৰ পিছত খালী ঠাইবোৰ পুৰন কৰিব।*

## ১. ঈশ্বৰলৈ দহ ভাগৰ এভাগ উভতাই দিয়া কথাটোক যাকোবে কত শিকিছিল?

**আদিপুস্তক ১৪:১৮, ২০** *আৰু চালেমৰ ৰজা মল্কীচেদকে পিঠা আৰু দ্ৰাক্ষাৰস আনিলে; তেওঁ সৰ্ব্বোপৰি ঈশ্বৰৰ পুৰোহিত. ... তেতিয়া অব্ৰামে সকলো বস্তুৰ ____________________ তেওঁক দিলে।*

টোকা: দশম ভাগ হৈছে এজন ব্যক্তিৰ আয়ৰ দহ ভাগৰ এভাগ। আচলতে "দশম ভাগ" শব্দটোৰ সাধাৰন অৰ্থটোৱেই হৈছে "দহ ভাগৰ এভাগ"। যাকোবৰ ককাক আব্ৰাহামে ঈশ্বৰৰ পুৰোহিত মল্কীচেদকক দশম ভাগ দিয়াৰ দ্বাৰাই বহু বছৰৰ আগেয়েই এটা আৰ্হি দি গৈছিল।

## ২. আমাৰ আয়ৰ কিমান অংশ ঈশ্বৰৰ হয় বাৰু?

**লেবীয়াপুস্তক ২৭:৩০** *সকলো বস্তুৰ ____________________ ভাগ ____________________ হব।*

টোকা: দৰাচলতে আমাৰ যি আছে তাৰ শতকৰা এশ ভাগেই ঈশ্বৰৰ হয়।
**গীতমালা ২৪:১** *"পৃথিবী আৰু তাৰ সকলোৱেই যিহোৱাৰ, জগত আৰু তাত বাস কৰাবিলাক তেওঁৰেই"। কিন্তু ঈশ্বৰে আমালোকক বশ্যতা স্বীকাৰ কৰিবলৈ কৈছে যে, দশম ভাগ বা আমাৰ বৰ্ধনৰ শতকৰা দহভাগ ঘুৰাই দিয়াৰ দ্বাৰাই এই সকলোবোৰ তেওঁৰেই বুলি আমি যেন বিশ্বাস কৰো।*

## ৩. আমাৰ দশম ভাগেৰে ঈশ্বৰে কি কৰে?

**গননাপুস্তক ১৮:২১, ২৪** *চোৱা, লেবীৰ সন্তানবিলাকে কৰা দাস্যকৰ্ম্মৰ, সাক্ষাত কৰা তম্বুৰ কাৰ্য্যৰ বেচ-স্বৰূপে মই তেওঁবিলাকৰ আধিপত্যৰ অৰ্থে ইস্ৰায়েলৰ মাজৰ আটাই ____________________ ভাগ দিলোঁ।...যি ____________________ ভাগ উতসৰ্গ কৰিব, তাকে মই লেবীয়াবিলাকৰ আধিপত্যৰ অৰ্থে দিলোঁ।*

**১ম কৰিন্থীয়া ৯:১৩, ১৪** *যিবিলাকে পবিত্ৰ বস্তুৰ ____________________ কৰে, তেওঁবিলাকে যে পবিত্ৰ ঠাইৰ পৰা ____________________ পায় আৰু যিবিলাকে বেদিৰ কাৰ্য্য কৰে, তেওঁবিলাকে যে সেই বেদিৰ সহিত ভাগী হয়, তোমালোকে ইয়াক নাজানা নে? সেইদৰে শুভবাৰ্ত্তাৰ ____________________ নিমিত্তেও প্ৰভুৱে এই নিয়ম কৰিলে যে, তেওঁবিলাকৰ জীৱিকা সেই শুভবাৰ্ত্তাৰ পৰাই হব।*

টোকা: পুৰনি নিয়মত, ঈশ্বৰে নিৰ্দ্দেশ দিছিল যে, দশম ভাগ সেই লেবীয়াবিলাকৰ ভৰণ-পোষণৰ বাবে ব্যৱহাৰ কৰা হওঁক, যি সকল তেওঁৰ পৰিচৰ্য্যাকাৰী। ১ম কৰিন্থীয়া ৯:১৩ পদত ঈশ্বৰে কৈছে যে, অতীতৰ পুৰোহিত বিলাকক যেনেকৈ মন্দিৰৰ দশম ভাগৰ পৰা পৰিশোধ কৰা হৈছিল, ঠিক তেনেকৈ আজিৰ শুভবাৰ্ত্তাৰ প্ৰচাৰক সকলক মন্ডলিয়ে দিয়া দশম ভাগৰ পৰাই পৰিশোধ কৰা উচিত।

## ৪. দশম ভাগ দিয়াটো মোচিৰ পুৰনি বিধানৰ অংশ নহয় জানো, যিটো সেই ক্ৰুচতেই অন্ত পৰিল?

**আদিপুস্তক ২৮:২০, ২২** *পাছে যাকোবে সঙ্কল্প কৰি এই প্ৰতিজ্ঞা কৰিলে, ... তুমি মোক যি যি দিবা, মই তাৰ দহ ভাগৰ এভাগ নিশ্চয়ে তোমাকে ______________________ ।*

**টোকা:** মোচিৰ বিধানৰ অংশ নহয়। মোচিৰ বিধান দিয়াৰ বহু বছৰৰ আগতেই আব্ৰাহাম আৰু যাকোব উভয়ে তেওঁবিলাকৰ আয়ৰ পৰা দশম ভাগ ঈশ্বৰলৈ অৰ্পণ কৰিছিল। যিহেতু ই প্ৰাক চিনয়ৰ বিষয়, গতিকে আমি জানো যে ই যাগ-যজ্ঞীয় বলি বিধানৰ এটা অংশ নাছিল যাৰ অন্ত ক্ৰুচত হৈছিল। দশম ভাগৰ যি বিধান সেয়া পৰিচৰ্য্যাকাৰী আৰু শুভবাৰ্ত্তা প্ৰচাৰক বিলাকৰ ভৰন-পোষণৰ নিমিত্তে কৰা ঈশ্বৰৰ আচনি আৰু ই আজিও প্ৰযোজ্য হৈ আছে।

## ৫. কিন্তু দশম ভাগ দিয়া আচনিটোক যীচুৱে ৰ্ভৎসনা কৰা নাছিল?

**মথি ২৩:২৩** *হায় হায় কপটীয়া অধ্যাপক আৰু ফৰীচিবিলাক! তোমালোক সন্তাপৰ পাত্ৰ; কিয়নো তোমালোকে পদিনা, গুৱামাৰি, আৰু জীৰাৰ ______________________ ভাগ দান কৰা, কিন্তু বিধানৰ মাজৰ গুৰুত্বৰ ভাগ ন্যায় বিচাৰ, দয়া, আৰু বিশ্বাস, এইবোৰ এৰিলাহক। কিন্তু এইবোৰ পালন কৰা, আৰু সেইবোৰকো নেৰা তোমালোকৰ ______________________ আছিল।*

**টোকা:** ৰ্ভৎসনা কৰা নাছিল।যীচুৱে দেখিছিল যে, অতিশয় ধনলোভী ফৰীচি সকলে ব্যক্তিগত ত্যাগক খুউব হিচাব ৰাখিছিল আৰু যিমান পৰিমানত মন্দিৰলৈ দশম ভাগ নিব লাগিছিল তাতকৈ বেচি অলপো নিয়া নাছিল। গতিকে দশম ভাগ দিয়াত, জোখৰ হিচাবতকৈ অলপো বেচি নিদিয়া আৰু আনহাতে বিচাৰত অন্যায় কৰা, দয়া,কৰুনা আৰু বিশ্বাসৰ ক্ষেত্ৰত সদায় পিছ পৰা ইত্যাদি কাৰনত তেওঁ তেওঁবিলাকক তিৰস্কাৰ কৰিছিল। দশম ভাগ দিয়াৰ ক্ষেত্ৰত তেওঁ সিহঁতক ৰ্ভৎসনা কৰা নাছিল, কিন্তু খ্ৰীষ্টানৰ মহান আনবোৰ নীতিনিয়মক অৱজ্ঞা কৰাৰ নিমিত্তেহে ৰ্ভৎসনা কৰিছিল। সেই কাৰনে যীচুৱে এইবুলি কৈছিল, "এইবোৰ (দশম ভাগ দিয়া) পালন কৰা, আৰু সেইবোৰকো নেৰা তোমালোকৰ উচিত আছিল"।

## ৬. দশম ভাগ দিয়াৰ সংক্ৰান্তত ঈশ্বৰে কি আচৰিত প্ৰতিজ্ঞা কৰিছে?

**মলাখী ৩:১০** *মোৰ গৃহত আহাৰ হবৰ নিমিত্তে তোমালোকে ভঁৰাললৈ গোটেই দশম ভাগ আনা। বাহিনীবিলাকৰ যিহোৱাই কৈছে, মই তোমালোকলৈ আকাশৰ দুৱাৰ ______________________ কৰিম নে নকৰিম, আৰু ঠাঁয়ে নধৰাকৈ তোমালোকলৈ আৰ্শীবাদ বৰ্ষাম নে নবৰ্ষাম, তাক জানিবলৈ তোমালোকে ইয়াৰেই মোক ______________________ কৰি ______________________ ।*

**টোকা:** ঈশ্বৰে কৈ আছেঃ "তোমাৰ যদি সন্দেহ আছে", তেন্তে দশম ভাগ দি পৰীক্ষা কৰি চোৱা। মোক পৰীক্ষা কৰি চোৱা, "তুমি পাব পৰাকৈ মই তোমাক উপচি পৰাকৈ আৰ্শীবাদ কৰোঁ নে নকৰোঁ "। দশম ভাগ দিওঁতাবিলাকৰ হাজাৰ হাজাৰে আপোনাক কব, কথাষাৰ একেবাৰে সত্য বুলি। আপুনি ঈশ্বৰক নিদিয়াকৈ থকিব নোৱাৰিব!

## ৭. ঈশ্বৰে তেওঁৰ লোকবিলাকক আটাইবোৰ দশম ভাগ ভঁৰাললৈ আনিবলৈ কৈছে। ইয়াৰ অৰ্থ কি বাৰু?

**নহিমিয়া ১৩:১২** *তেতিয়া সকলো যিহুদী লোকে শস্যৰ, দ্ৰাক্ষাৰসৰ, আৰু তেলৰ দশম ভাগ ______________________ আনিবলৈ ধৰিলে।*

**টোকা:** ভঁৰাল হৈছে ঈশ্বৰৰ মন্ডলিৰ ভঁৰাল। মলাখী ৩:১০ পদত ঈশ্বৰে ভঁৰালটোক "মোৰ গৃহ" বুলি কৈছে, যাৰ অৰ্থ হৈছে তেওঁৰ মন্ডলি বা মন্দিৰ। আন আন পদবোৰত ভঁৰালক মন্দিৰ বা মন্দিৰৰ ভঁৰাল বুলিও কোৱা হৈছে, চাওক ১ম বংশাৱলি ৯:২৬; ২য় বংশাৱলি ৩১:১১, ১২; আৰু নহিমিয়া ১০:৩৭, ৩৮। গতিকে এইটো অতি স্পষ্ট যে ভঁৰাল হৈছে ঈশ্বৰৰ মন্ডলিৰ ভঁৰাল।

## ৮. আমি যেতিয়া দশম ভাগ দিওঁ, আমাৰ ধনবোৰক আচলতে কোনে গ্ৰহন কৰে বাৰু?

**ইব্ৰী ৭:৮** *ইয়াত মৰনশীল মানৱে দশম ভাগ গ্ৰহন কৰে কিন্তু তাত ____________________ (যীচু) সেইবোৰ গ্ৰহন কৰে, যাৰ বিষয়ে সাক্ষ্য দিয়া হয় যে তেওঁ জীয়াই আছে। কেজিভি।*

**কলচীয়া ৩:২৩** *যি কৰা, তাক মানুহৰ উদ্দেশ্যে নহয়, কিন্তু ____________________ উদ্দেশ্যে মনে চিত্তে সৈতে কৰা।*

**টোকা:** আমি সদায় মনত পেলোৱা প্ৰয়োজন যে আমি আমাৰ দশম ভাগবোৰ মানুহক ঘুৰাই দিয়া নাই, কিন্তু ঈশ্বৰকহে উভতাই দিছোঁ। ই তেওঁৰহে। যদি আমি ইয়াক ঈশ্বৰক দিছোঁ, তেন্তে দশম ভাগ কেনেকৈ ব্যৱহাৰ কৰা হৈছে তাক আমি চিন্তা কৰিবলৈ প্ৰয়োজন নাই। তেওঁ তেওঁৰ টকা পইচাৰ যতন লবলৈ আৰু উপযুক্তভাৱে ব্যৱহাৰ কৰিবলৈ যথেষ্ট সুদক্ষ।

## ৯. মোৰ দশম ভাগৰ লগতে আৰু কি কি তেওঁৰ হয় বাৰু, তেওঁৰ লোকবিলাকক ইয়াৰ বাদেও তেওঁ আৰু কি কৰিবলৈ কৈছে?

**গীতমালা ৯৬:৮** ____________________ *সৈতে তেওঁৰ চোতাল কেইখনত সোমোৱা.*

**মলাখী ৩:৮** *মানুহে ঈশ্বৰক ঠগাব নে? তথাপি তোমালোকে মোক ঠগাইছা। কিন্তু তোমালোকে কৈছা, আমি কিহত তোমাক ঠগালোঁ? দশম ভাগত আৰু ____________________ ।*

**টোকা:** তেওঁৰ প্ৰতি থকা আমাৰ প্ৰেম প্ৰকাশ আৰু আমালৈ প্ৰদান কৰা তেওঁৰ আৰ্শীবাদৰ নিমিত্তে ধন্যবাদ জ্ঞাপন কৰাৰ চিন স্বৰূপে তেওঁলৈ মুক্তহস্তে দান দিবলৈ ঈশ্বৰ যিহোৱাই আমালোকক কৈছে।

## ১০. উপহাৰৰ দান হিচাপে আমি কিমান দিয়া উচিত?

**২য় কৰিন্থীয়া ৯:৭** *প্ৰতিজনে মনোদুখ বা আৱশ্যকতাৰে নিদি, নিজৰ ____________________ যেনেকৈ ঠাৱৰ কৰিলে, তেনেকৈ দিয়ক; কিয়নো হৰ্ষিত মনেৰে দিয়া জনক ঈশ্বৰে প্ৰেম কৰে।*

**টোকা:** বাইবেলে তেনেকুৱা এটা নিৰ্দিষ্ট পৰিমান নিৰ্ধাৰণ কৰি দিয়া নাই।ঈশ্বৰে যেনেকৈ উদগাই ঠিক তেনেকৈ কিমান দিব তাক প্ৰতিজন ব্যক্তিয়ে নিজে ঠাৱৰ কৰে।

## ১১. আদম আৰু হাৱাই কৃতকাৰ্য্য হব নোৱাৰা কি পৰীক্ষাটোক আমি কৃতকাৰ্য্য হব লাগিব যদি আমি ঈশ্বৰৰ ৰাজ্যৰ উত্তৰাধিকাৰ পাবলৈ আকাংখ্যা কৰোঁ?

**আদিপুস্তক ৩:৩** *কিন্তু বাৰীৰ মাজত থকা যি ____________________ জোপা আছে; তাৰ ফল হলে, ঈশ্বৰে কৈছে, "তোমালোকে তাক নেখাবাও, ____________________"; তাকে কৰিলেই ____________________ ।*

**টোকা:** ঈশ্বৰে আদম আৰু হাৱাক কৈছিল বাৰীত থকা এজোপা গছৰ বাদে বাকী সকলো গছৰ ফল তেওঁলোকে খাবলৈ পাৰিব-সেই জোপা গছ আছিল ভাল আৰু বেয়াৰ জ্ঞান দিওঁতা গছ। সেই জোপা গছৰ ফল খোৱাটো বাদেই এনেকি তাক চুবলৈকো মানা কৰা হৈছিল, অন্যথা তেওঁলোক মৰিব। ঈশ্বৰে গছজোপাৰ চাৰিওফালে বিদ্যুতিক তাৰৰ মেৰ দিয়া নাছিল। বৰঞ্চ, তেওঁ ইয়াক এনে এঠাইত ৰাখিছিল যত তেওঁলোকে ইয়াৰ কাষলৈ যাব পাৰে আৰু ইয়াৰ ফল চিঙিবও পাৰে। আৰু তেওঁলোকে ইয়াৰ কাষলৈ গৈ ইয়াক চিঙি খাইছিল, কাৰন তেওঁলোকে ঈশ্বৰক বিশ্বাস কৰা নাছিল। আজিও, ঈশ্বৰে আমালোকক সেই একেটা পৰীক্ষাকেই দিছে। তেওঁ কৈছে, "দশমাংশৰ বাদে তোমাৰ হাতলৈ অহা সকলোখিনি টকা পইচা তুমি ৰাখিবলৈ পাৰা"। সেই খিনি কিন্তু মোৰ ভাগৰ। তাক নলবা। অৱশ্যে, "তেওঁ এইখিনি ধন আমি ঢুকি পোৱাকৈ আৰু লব পৰাকৈ ৰাখিছে", যদি আমি তেনেকুৱা মতলব কৰোঁ। কিন্তু যেতিয়া সেই কামটোকেই কৰোঁ, তেন্তে আদম আৰু হাৱাই কৰা পাপটোকে পুনৰাবৃতি কৰা হয়। সেই বিশেষ গছজোপাৰ ফল ঈশ্বৰৰ প্ৰয়োজন হোৱা নাছিল। এয়া তেওঁবিলাকৰ বিশ্বস্ততাৰ, ৰাজভক্তিৰ এটা পৰীক্ষাহে আছিল। সেইদৰে আমাৰ দশমাংশৰো তেওঁৰ প্ৰয়োজন নহয়। তেওঁৰ সকলোবোৰ আছে! এয়া হৈছে আমাৰ প্ৰেম, বিশ্বস্ততা, ৰাজভক্তি, বিশ্বাস আৰু আস্হাৰ এটা পৰীক্ষাহে।

## ১২. ঈশ্বৰক দশম ভাগ আৰু দান উপহাৰ দিবলৈ অমান্তি হলে আমি কোনটো আজ্ঞা উলঙ্ঘন কৰোঁ বাৰু?

**মলাখী ৩:৮** *মানুহে ঈশ্বৰক ____________________ নে? তথাপি তোমালোকে মোক ____________________। কিন্তু তোমালোকে কৈছা, আমি কিহত তোমাক ঠগালোঁ? দশম ভাগত আৰু উপহাৰত।*

**যাত্ৰাপুস্তক ২০:১৫** *তুমি ____________________ নকৰিবা।*

**টোকা:** ঈশ্বৰে কৈছে যি সকলে জানি বুজি দশম ভাগ আৰু উপহাৰ দিয়াত অবিশ্বাসী তেওঁবিলাক চোৰ ডকাইত। মানুহে ইজনে সিজনৰ বস্তু যেতিয়া চুৰ কৰে, ই বৰ বেয়া কথা, কিন্তু ঈশ্বৰৰ পৰা যেতিয়া মানুহে চুৰ কৰিবলৈ দুঃসাহস কৰে, সেইটো ভাবিব নোৱাৰা এটা ভয়ঙ্কৰ কথা! ইয়াক বিশ্বাস কৰিবলৈকো টান যে হেৰাই যোৱা সকলৰ নিমিত্তে ঈশ্বৰে বাজেট কৰা ধনখিনিকো চুৰ কৰিবলৈ মানুহ ইমান তললৈ যাব পাৰে।

## ১৩. যিবিলাকে জানি বুজি তেওঁৰ দশম ভাগ আৰু উপহাৰ চুৰ কৰে তেওঁবিলাকৰ কি হব বুলি ঈশ্বৰে কৈছে?

**মলাখী ৩:৯** *তোমালোক ____________________; কিয়নো তোমালোকে মোকেই ঠগাইছা, এনেকি, গোটেই জাতিয়েই ঠগাইছে।*

**১ম কৰিন্থীয়া ৬:১০** *ব্যভিচাৰী, দেৱপূজক, পৰস্ত্ৰীগামী, সুখাভিলাষী, পুংমৈথুনী, ____________________, লুভীয়া, মতলীয়া, নিন্দক, বা অপহাৰক, এইবিলাকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব।*

**টোকা:** দশম ভাগ আৰু উপহাৰ দিয়াত যিসকল বিশ্বাসী নহয় তেওঁলোক অভিশপ্ত, আৰু যদি তেওঁলোক সলনি নহয়, তেন্তে তেওঁলোক চোৰ হিচাপে ঈশ্বৰৰ ৰাজ্যৰ বাহিৰত বন্ধ হৈ থাকিব লাগিব।

## ১৪. লোভ কিয় ইমান বিপদজ্জনক?

**লূক ১২:৩৪** *কিয়নো যতেই তোমালোকৰ ____________________, ততে তোমালোকৰ মনো হব।*

**টোকা:** লোভ প্ৰাণনাশক কাৰণ যত আমাৰ ধন থাকে তাতে আমাৰ মনো থাকে। যদি মোৰ মন অধিক অধিককৈ ধন জমা কৰাত গুৰুত্ব প্ৰদান কৰে, মোৰ হৃদয়খন হৈ পৰিব লোভীয়া, কৃপণ, অহঙ্কাৰী আৰু গৰ্ব্বী। কিন্তু যদি মই ঈশ্বৰৰ কাম আগবঢ়াই নিয়াত গুৰুত্ব দিওঁ, মোৰ হৃদয়খন হৈ পৰিব, যত্নবান, মৰমীয়াল, পৰোপকাৰী আৰু নম্ৰ। আমাৰ হৃদয়বোৰ অৱধাৰিতভাৱে আমাৰ ধন টকা পইচালৈ গতি লয়। আমি তেতিয়াও পাহৰি যোৱা উচিত নহব যে যিহূদাৰ ধনৰ প্ৰতি থকা লোভ আৰু প্ৰেমেই তাক ৩০ টা ৰূপৰ আধলিত যীচুক বিশ্বাসঘাতক কৰি বিক্ৰী কৰাৰ পৰ্য্যায়লৈ লৈ গৈছিল।মথি ২৬:১৪-১৬।

## ১৫. আমি যেতিয়া দশম ভাগ আৰু উপহাৰ দিয়াত ঠগাওঁ যীচুৱে কেনেকুৱা অনুভৱ কৰে বুলি আপুনি অনুমান কৰে?

**ইব্ৰী ৩:১০** *তাৰ কাৰনে মই এই জাতিত ____________________ হৈ কলোঁ, এওঁবিলাক সদায় ভ্ৰান্ত চিত্তৰ লোক।*

**টোকা:** সম্ভৱত, যীচুৰ সেই পিতৃ-মাতৃ হালৰ অনুভৱতকৈ অধিক বেয়া ধৰনে অনুভৱ হয়, যি পিতৃ-মাতৃ হালৰ মানি বেগৰ পৰা যেতিয়া তেওঁলোকৰ সন্তানে টকা চুৰ কৰি লৈ যায়। টকা লৈ যোৱাটো ডাঙৰ কথা নহয়। বৰং, সন্তান সকলৰ গাত দেখা দিয়া সাধুতা, প্ৰেম, বিশ্বাস আৰু আস্হাৰ অভাৱ হোৱাটোহে আটাইতকৈ গভীৰ নিৰাশজনক বিষয়। নিশ্চিতভাৱে, আমি কোনেও আমাৰ ত্ৰাণকৰ্ত্তা জনাৰ অন্তৰত দুখ দিবলৈ নিবিচাৰোঁ।

## ১৬. দান দিয়াৰ ক্ষেত্ৰত, ঈশ্বৰে আৰু কি কি বাইবেলৰ নীতিবচন প্ৰদান কৰিছে?

**ক. ২য় কৰিন্থীয়া ৮:৫** *বৰং ____________________ ঈশ্বৰৰ ইচ্ছাৰে, প্ৰথমে প্ৰভুৰ উদ্দেশ্যে, শেষত আমাৰ উদ্দেশ্যে দান কৰিলে।*

**খ. হিতোপদেশ ৩:৯** *তোমাৰ সম্পত্তিৰে যিহোৱাৰ আদৰ কৰা, আৰু তোমাৰ ____________________ ভাগেৰে যিহোৱাক সন্মান কৰা।*

**গ. হিতোপদেশ ১১:২৪, ২৫** *কোনো কোনোৱে বিলাই দিলেও তেওঁৰ ____________________ হয়, আৰু কোনো কোনোৱে দিব লগীয়াখিনি আটক কৰিও কেৱল দৰিদ্ৰতাহে পায়। ____________________ প্ৰাণী পৰিতৃপ্ত হয়, আৰু পানী ছটিয়াওঁতা জনে নিজেও পানীৰ ছাটি পায়।*

**ঘ. পাচনিকৰ্ম ২০:৩৫** *গ্ৰহণ কৰাতকৈ ____________________ কৰা ____________________ ।*

**ঙ. লূক ১২:২১** ____________________ *ধন সাঁচি থোৱা জন, ঈশ্বৰলৈ ____________________ নহয় ... কেজিভি।*

**চ. লূক ৬:৩৮** *দান কৰা, তাতে তোমালোককো দান দিয়া হব; লোকে ঠিক জোখত হেঁচি, জোকাৰি, ____________________, তোমালোকৰ কোঁচত, বাকি দিব; কিয়নো যি জোখেৰে তোমালোকে জোখা, সেই জোখেৰে তোমালোকলৈকো জোখা ____________________ ।*

**ছ. ১ম কৰিন্থীয়া ১৬:২** *তোমালোকৰ প্ৰতিজনে নিজ নিজ ____________________ অনুসাৰে ... নিজৰ ওচৰত সাঁচি ৰাখিবা।*

**জ. দ্বিতীয় বিবৰন ১৬:১৭** *ঈশ্বৰ যিহোৱাই তোমাক দিয়া ____________________ অনুসাৰে প্ৰতিজনে নিজ সমৰ্থ ____________________ উপহাৰ আনিব।*

**টোকা:** ঈশ্বৰৰ আৰ্শীবাদত মোৰ আয়ৰ দহ ভাগৰ ন-ভাগ, ঈশ্বৰৰ আৰ্শীবাদ নথকা দহ ভাগৰ দহ ভাগতকৈ অধিক কুলায়ে পাচিয়ে নধৰা হব। দৈৱক্ৰমে, ঈশ্বৰে যেতিয়া স্বৰ্গৰ খিড়িকীবোৰ মুকলি কৰি দিয়ে, তেওঁৰ আৰ্শীবাদবোৰ সদায় আৰ্থিক বা টকা-পইচাৰ নহয়। সেইবোৰৰ ভিতৰত হয়তো থাকিব পাৰে সুঠাম স্বাস্হ্য, মনৰ আনন্দ, প্ৰাৰ্থনাৰ উত্তৰ, সুৰক্ষা, এটা মধুৰ সম্পৰ্কৰ মৰমীয়াল পৰিয়াল, শাৰীৰিক শক্তি, জ্ঞান-যুক্ত সিদ্ধান্ত লব পৰা সক্ষমতা, যীচুৰ সৈতে থকা এটা নিবিড় সম্পৰ্ক, আত্মা জয় কৰাত সফলতা, এখন বুঢ়া গাড়ীয়ো সুন্দৰ ভাৱে চলি থকা ইত্যাদি ইত্যাদি। যদি আমি যীচুক প্ৰকৃতভাৱে প্ৰেম কৰোঁ, তেওঁৰ কাৰ্য্যৰ নিমিত্তে যিকোনো উচ্ছৰ্গা কৰাটো এটা বোজা হৈ নপৰে। বৰং ই হৈ পৰে এটা আৰ্শীবাদ,--এটা গৌৰৱময় সুযোগ যত আমি কাম কৰি মহা-আনন্দ আৰু সন্তুষ্টতা লভিব পাৰোঁ।

## ১৭. যাকোবে তেওঁৰ সপোনত দেখা জখলা ডালে কি সূচাইছিল?

**যোহন ১:৫১** *তোমালোকে স্বৰ্গৰ দুৱাৰ মুকলি হোৱা, আৰু ____________________ ____________________ ওপৰত ঈশ্বৰৰ দূতবিলাকক উঠা আৰু নমা দেখিবা।*

**টোকা:** যাকোবে এডাল জখলা দেখিছিল যি স্বৰ্গ আৰু পৃথিবীৰ জোৰা লগোৱা এখন সাকো স্বৰূপ আছিল আৰু ই যীচু খ্ৰীষ্টক সুচাইছিল। মলাখী ৩:১০ পদত ঈশ্বৰে কৈছে যে যদি আমি আটাই দশম ভাগ ভঁৰাললৈ আনো, তেওঁ আমাৰ নিমিত্তে স্বৰ্গৰ দুৱাৰ মুকলি কৰি দিব আৰু আমালৈ আমি লব নোৱৰাকৈ আৰ্শীবাদ বাকি দিব! যীচুৱেই হৈছে সেই আৰ্শীবাদ।

## ১৮. আমি যীচুক দিব পৰা আটাইতকৈ ডাঙৰ উপহাৰটো কি?

**হিতোপদেশ ২৩:২৬** *হে মোৰ বোপা, ____________________ ____________________ মোক দিয়া, আৰু তোমাৰ চকু মোৰ পথবোৰত সন্তুষ্ট হওক।*

**মাৰ্ক ৭:৬** *এই মানুহবিলাকে ওঁঠেৰে মোক সন্মান কৰে, কিন্তু তেওঁবিলাকৰ ____________________ মোৰ পৰা দুৰৈত থাকে।*

**টোকা:** যেতিয়া আমাৰ হৃদয়ত য়ীচু থাকে, তেন্তে আমাৰ সকলোবোৰেই আছে।

# আপোনাৰ সহাৰি

*দশম ভাগ আৰু দান দিয়াত যেতিয়া আমি বিশ্বাসী হওঁ, আমি আমাৰ জীৱনত কৰা সকলোবোৰ চেষ্টা-প্ৰচেষ্টাত যীচু আমাৰ অংশীদাৰ হয়। দশম ভাগ ঘুৰাই দিয়া আৰু দান উপহাৰ দিয়াৰ দ্বাৰাই আপোনাৰ অংশীদাৰ হবলৈ আপুনি তেওঁক নিমন্ত্ৰন কৰিবলৈ ইচ্ছা কৰিব নে?*

**উত্তৰ:** ____________________


©2024 Amazing Facts India
All Rights Reserved Printed in India